**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

বজালী জিলাৰ পাঠশালাত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই অধিবেশনৰ কেন্দ্ৰ কৰি সমগ্ৰ জিলাখনতে উৎসাহ উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। অধিৱেশনৰ আদৰণি সমিতিয়ে সাহিত্য সভাৰ এই অধিৱেশনৰ অংশ হিচাপে বজালী শীৰ্ষক এটি গীত মুকলি কৰিছে।

কাইলৈ পুৱা চাৰে ৮ বজাত নামঘৰৰ দ্বাৰ উদ্ঘাটনেৰে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে নামঘৰৰ দ্বাৰ মুকলি কৰিব আৰু নাজিৰাৰ সমাজকৰ্মী যতীন লাহনে বন্তি প্ৰজ্বলন কৰিব। পুৱা ৯ বজাত পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰিব।

সাহিত্য সভাৰ অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত উলহ-মালহৰ পৰিবেশৰ সৃষ্টি হৈছে। সাহিত্য অনুৰাগী তথা অন্যান্য অতিথিসকলক আদৰাৰ বাবে পাঠশালাবাসী সাজু হৈছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব।

ooooo

ৰাজ্য চৰকাৰে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানটিৰ বাবে জিলাই জিলাই প্ৰস্তুতি চলি আছে। ঝুমুইৰ বিনন্দিনী শীৰ্ষক এই অনুষ্ঠানৰ বাবে তিনিচুকীয়া জিলাত ব্যাপক প্ৰস্তুতি চলি আছে। জিলাখনৰ ডিগবৈ, মাৰ্ঘেৰিটা, শদিয়া আৰু ডুমডুমাত ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই প্ৰশিক্ষণৰ কাইলৈ সামৰণি পৰিব। ডিগবৈ চহৰৰ জুবিলী খেলপথাৰত অনুষ্ঠিত আখৰাত সমষ্টিটোৰ অন্তৰ্গত ২০০ৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিছে। শদিয়াৰ তালাপত এই কাৰ্যসূচী কালি সমজিলাখনৰ আয়ুক্ত মানস জ্যোতি নাথে উদ্বোধন কৰে।

ooooo

সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতি আৰু সাংবাদিক কল্যাণ নিধিৰ উদ্যোগত আজি যোৰহাটত আয়োজিত এটা অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ চৰাইদেউ জিলাৰ সংবাদদাতা নবুল কোঁৱৰক ২০২৪ বৰ্ষৰ দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ প্ৰদান কৰা হয়। **কৃষি ভিত্তিক উদ্যোগৰ জৰিয়তে যুৱ সৱলীকৰণত সংবাদ মাধ্যমৰ ভূমিকা** শীৰ্ষক গৱেষণা পত্ৰৰ বাবে সাংবাদিকগৰাকীক এই মিডিয়া ফেল'শ্বিপ প্ৰদান কৰা হয়। সাংবাদিক কল্যাণ নিধিৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক নৱজ্যোতি বৰাই আঁত ধৰা এই অনুষ্ঠানত **অসমৰ সংবাদসেৱাৰ ঐতিহ্য আৰু প্ৰত্যাহ্বান** শীৰ্ষক এটি বক্তৃতা অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানতে জিলাখনৰ কেইবাজনো বাতৰিকাকত বিলোৱা লোকক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

প্ৰাদেশিকীকৰণৰ সুবিধাৰ পৰা বঞ্চিত অসম শিক্ষক কৰ্মচাৰী সন্থাই আজি গুৱাহাটী মহানগৰীত প্ৰতিবাদ সাব্যস্ত কৰি তেওঁলোকৰ পদসমূহ প্ৰাদেশিকীকৰণৰ বাবে চৰকাৰক দাবী জনায়। সন্থাৰ নেতৃবৰ্গই প্ৰকাশ কৰা মতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ শিক্ষক, শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলে সুদীৰ্ঘ দিন ধৰি শিক্ষানুষ্ঠানসমূহত কাম কৰি আছে। সন্থাই এই কৰ্মচাৰীসকলক প্ৰাপ্য সুবিধা প্ৰদানৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে।

০০০০০

শিৱসাগৰ জিলাৰ আমগুৰিত টাই-আহোম যুৱ পৰিষদ আৰু  বীৰ পাঙৰাও ক্ষেত্ৰ উন্নয়ন সমিতিৰ উদ্যোগত আয়োজিত কেন্দ্ৰীয় মে-ডাম-মে-ফিত আজি প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়ালৈ মৰোণোত্তৰভাৱে বীৰ পাঙৰাও বঁটা আগবঢ়োৱা হয়। শিল্পীগৰাকীৰ জ্যেষ্ঠ ভাতৃয়ে এই বঁটা গ্ৰহণ কৰে। বঁটাত এখন মানপত্ৰ, এখন সঁফুৰা, স্মাৰক, এখন চেলেং, গামোচা আৰু নগদ এক লাখ টকা আছে।

০০০০০

মাজুলীৰ আউনীআটী সত্ৰৰ ৪০ জন ভকত বৈষ্ণৱ আজি সন্ধিয়া  প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত অংশগ্ৰহণৰ বাবে ৰাওনা হৈছে। মহাকুম্ভ মেলাত আউনীআটী সত্ৰৰ ভকতসকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰামবিজয় নাট, সত্ৰীয়া নৃত্য, অপ্সৰা নৃত্য, দিহা নাম আদি পৰিৱেশন কৰিব।

০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ ফুটবল দলে জয়েৰে অভিযান আৰম্ভ কৰিছে। আজি অনুষ্ঠিত গ্ৰুপৰ খেলত অসমে শক্তিশালী গোৱাক ৩-২ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে ১৮ বছৰৰ পিছত ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ অসম ফুটবল দলে যোগ্যতা অৰ্জন কৰিছে। এই ক্ৰীড়া সমাৰোহত উশুৰ জৰিয়তে অসমে প্ৰথমটো পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। উশু খেলুৱৈ ছানমা ব্ৰহ্মই অসমক ৰূপৰ পদক উপহাৰ দিয়ে। ছানমাৰ সাফল্যৰ পাছতে উশুত অসমে আৰু তিনিটা পদক জয় নিশ্চিত কৰিছে। মহিলাৰ ৪৫ কিলোগ্ৰাম শাখাত প্ৰীয়া বড়ো, ৭৫ কিলোগ্ৰাম শাখাত খুদ্ৰা পাং য়িং আৰু ৫৬ কিলোগ্ৰাম শাখাত ইলিনা ৰাভাই চেমিফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ মহিলা বেডমিণ্টন দলে কাইলৈ চেমিফাইনেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে খেলিব। অৱশ্যে অসমৰ মহিলা বীচ্ হেণ্ডবল দলৰ যাত্ৰা আজি পদক অবিহনে অন্ত পৰে। আজি কেৰেলাৰ বিৰুদ্ধে চেমিফাইনেলত অসম দলটো ৫-৪ পেনাল্টি গলত পৰাস্ত হয়।

০০০০০

চিৰাং জিলাৰ বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা চতুৰ্থ বিজনী বিধায়ক টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত উত্তৰ বংগৰ শিলিগুৰিৰ মুখাৰ্জী চেলেঞ্জাৰ্ছে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। যোৱা নিশা বঙাইগাঁৱৰ আনোৱাৰ একাদশৰ বিৰুদ্ধে অনুষ্ঠিত চূড়ান্ত খেলত বঙাইগাঁৱৰ দলটোৱে ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৫২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শিলিগুৰি দলটোৱে ১৮ অভাৰ এটা বলত চাৰিটা উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। এই প্ৰতিযোগিতাত পাটনা আৰু শিলিগুৰিৰ উপৰি ৰাজ্যখনৰ ছটা দলে অংশগ্ৰহণ কৰিছিল।

০০০০০

সমাপ্ত